# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-04-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত থকা তেওঁৰ বাসগৃহত সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰ এখন বিশেষ বৈঠকত অধ্যক্ষতা কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত ২০২৭ বৰ্ষৰ লোকপিয়লৰ বাবে আত্মগণনা কাৰ্যসূচীত ভাগ লয়।

৩। চৰকাৰে চলিত এপ্ৰিল আৰু মে' মাহৰ ভিতৰত অঞ্চল ভিত্তিক আঞ্চলিক কৃষি সন্মিলনৰ বিস্তৃত শৃংখলা আৰম্ভ কৰিব বুলি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। দেশৰ বিভিন্ন স্থানত আজি ধৰ্মীয় ৰীতি-নীতিৰে হনুমান জয়ন্তী পালন কৰা হৈছে।

*আৰু*

৫। যোৱাবাৰৰ চেম্পিয়ন ভাৰত পুৰুষৰ ২০ বছৰ অনুৰ্ধৰ ছাফ ফুটবল চেম্পিয়নশ্বিপৰ ফাইনেলত উপনীত হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত থকা তেওঁৰ বাসগৃহত সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰ এখন বিশেষ বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত পশ্চিম এছিয়াৰ সাম্প্ৰতিক সংঘাতৰ সময়ত বিভিন্ন মন্ত্ৰালয় আৰু বিভাগে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ পৰ্যালোচনা কৰা হয়। বৈঠকত প্ৰধানমন্ত্ৰীয়ে জটিল সময়ত জনসাধাৰণৰ প্ৰয়োজনীয় সামগ্ৰীসমূহৰ উপলব্ধতাৰ খতিয়ান লয়। তেওঁ লগতে খাৰিফ আৰু ৰবি শস্যৰ বাবে দেশত সাৰৰ উপলব্ধতা নিশ্চিত কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বুজ লয়। তেওঁ লগতে জনসাধাৰণক বৰ্তমানৰ সংহাতৰ প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাখিবলৈ সকলো প্ৰচেষ্টা কৰাৰ নিৰ্দেশ দিয়ে। বৈঠকত কৃষি, সাৰ, জাহাজ তথা বিমান পৰিবহণ আদি ক্ষেত্ৰসমূহৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰা হয়। কালিৰ বৈঠকত কেবিনেট সচিবে পেট্ৰ'লিয়ামজাত সামগ্ৰী, বিশেষকৈ এল পি জি আৰু এল এন জিৰ যোগান শৃংখল নিশ্চিত কৰিবলৈ হাতত লোৱা প্ৰচেষ্টাসমূহৰ বিষয়েও প্ৰধানমন্ত্ৰীক অৱগত কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত ২০২৭ বৰ্ষৰ লোকপিয়লৰ বাবে চৰকাৰৰ আত্ম-গণনা পদক্ষেপত অংশগ্ৰহণ কৰে। গৃহ সচিব গোবিন্দ মোহন, মহাপঞ্জীয়ক তথা লোকপিয়ল আয়ুক্ত মৃত্যুঞ্জয় কুমাৰ নাৰায়ণকে ধৰি অন্যান্য জ্যেষ্ঠ বিষয়াৰ উপস্থিতিত ৰাষ্ট্ৰপতিগৰাকীয়ে পৰ্টেলত তেওঁৰ ঘৰুৱা সবিশেষৰ আত্ম-গণনাত ভাগ লয়।

00000

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনেও কালি উপৰাষ্ট্ৰপতি ভৱনত ২০২৭ বৰ্ষৰ লোকপিয়লৰ বাবে অনলাইন পদ্ধতিৰে আত্মগণনা প্ৰ-পত্ৰ পূৰণ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে চৰকাৰী ৱেবচাইট se.census.gov.inৰ জৰিয়তে নিজ নিজ ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলে অৱগত কৰা সময়ছোৱাত নিজৰ ঘৰৰ সবিশেষ অনলাইন পদ্ধতিৰে জমা দি আত্মগণনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰে।

শ্ৰীৰাধাকৃষ্ণনে কয়, যে চৰকাৰৰ ডিজিটেল ইণ্ডিয়াৰ পদক্ষেপৰ সৈতে সংগতি ৰাখি গ্ৰহণ কৰা ২০২৭ বৰ্ষৰ লোকপিয়লৰ প্ৰক্ৰিয়াই তথ্য সংগ্ৰহ আৰু প্ৰচাৰৰ গুণগত মান, কাৰ্যক্ষমতা আৰু সময়োপযোগীতা বৃদ্ধিৰ বাবে বিস্তৃত ডিজিটেল প্ৰযুক্তিৰ সহায় লৈছে। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ গণনা প্ৰক্ৰিয়াৰ সময়ত ভাৰতৰ মহাপঞ্জীয়ক তথা লোকপিয়ল আয়ুক্ত মৃত্যুঞ্জয় কুমাৰ নাৰায়ণ উপস্থিত থাকে।

00000

চৰকাৰে চলিত এপ্ৰিল আৰু মে' মাহৰ ভিতৰত অঞ্চলভিত্তিক আঞ্চলিক কৃষি সন্মিলনৰ এক বিস্তৃত শৃংখলা আৰম্ভ কৰিব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি এই কথা প্ৰকাশ কৰে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এই সন্দৰ্ভত কয় যে অনুষ্ঠিতব্য সন্মিলনসমূহে কৃষি খণ্ডত গাঁথনিগত আলোচনা, পৰ্যালোচনা আৰু ভৱিষ্যত পৰিকল্পনাৰ বাবে এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰিব। মন্ত্ৰালয়ে লগতে কয় যে এই পদক্ষেপৰ লক্ষ্য হৈছে কেন্দ্ৰীয় আৰু ৰাজ্যিক কৃষি মন্ত্ৰী, বিজ্ঞানী, প্ৰগতিশীল কৃষক, কৃষক সংগঠন, কৃষকসকলৰ উৎপাদক সংস্থা, কৃষি ষ্টাৰ্টআপ আৰু ব্যক্তিগত খণ্ডৰ অংশীদাৰসকলক একত্ৰিত কৰি যৌথভাৱে মূল আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা আৰু তৃণমূল পৰ্যায়ৰ মতসমূহৰ ভিত্তিত ভৱিষ্যতৰ দৃষ্টিভংগীৰ কৌশল প্ৰণয়ন কৰা। সন্মিলনসমূহৰ সবিশেষ প্ৰকাশ কৰি শ্ৰীচৌহানে কয় যে দেশৰ পশ্চিম অঞ্চলৰ বাবে প্ৰথমখন খণ্ড সন্মিলন অহা ৭ এপ্ৰিলত জয়পুৰত অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে অহা ১৭ এপ্ৰিলত লক্ষ্ণৌত দিল্লী, চণ্ডীগড়, জম্মু-কাশ্মীৰ, উত্তৰ প্ৰদেশ, হাৰিয়ানা, হিমাচল প্ৰদেশ, লাডাখ, পঞ্জাব, আৰু উত্তৰাখণ্ডক সামৰি দেশৰ উত্তৰ অঞ্চলৰ সন্মিলনখন আয়োজনৰ দিহা কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰ উপৰি ২৪ এপ্ৰিলত ভূৱনেশ্বৰত দেশৰ পূব অঞ্চলৰ সন্মিলনখন অনুষ্ঠিত হ'ব। সেইখন

সন্মিলনত বিহাৰ, ঝাৰখণ্ড, ওড়িশা আৰু পশ্চিমবংগৰ কৃষক তথা সংশ্লিষ্ট ব্যক্তি আৰু সংস্থাসমূহে ভাগ ল'ব বুলিও তেওঁ সদৰী কৰে।

ooooo

ৰাছিয়াৰ প্ৰথমগৰাকী উপ প্ৰধানমন্ত্ৰী দেনিছ মণ্টুৰভ আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব। ভ্ৰমণকালত উপ প্ৰধানমন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ. জয়শংকৰ আৰু বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰিব। অভ্যাগত উপ প্ৰধানমন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালকো সাক্ষাৎ কৰাৰ কথা আছে।

ooooo

দেশৰ বিভিন্ন স্থানত আজি ধৰ্মীয় ৰীতি-নীতি তথা উৎসাহ উদ্দীপনাৰে ভগৱান হনুমানৰ জন্মদিন হনুমান জয়ন্তী পালন কৰা হৈছে। হনুমান জয়ন্তী উপলক্ষে নতুন দিল্লীৰ কনৌট প্লেচত থকা প্ৰাচীন হনুমান মন্দিৰটোত ভক্তসকলে নিচেই পুৱাৰ পৰা ভিৰ কৰা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। বিভিন্ন মন্দিৰত হনুমান চালিচা, সুন্দৰ কাণ্ড ৰামায়ণ আৰু অখণ্ড ৰামায়ণ পাঠ কৰাৰ বাতৰি আহিছে।

ooooo

ভাৰতে মানৱীয় সাহায্য হিচাপে বুৰকিনা ফাচ'লৈ এহেজাৰ মেট্ৰিকটন চাউল প্ৰেৰণ কৰিছে। আভ্যন্তৰীনভাৱে স্থানচ্যুত তথা সহজে বিপদৰ আশংকা থকা লোকসকলৰ খাদ্য সুৰক্ষাত সহায় কৰিবলৈ ভাৰতে এই পদক্ষেপ গ্ৰহণ কৰা বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছে। তেওঁ লগতে কয়, যে এই পদক্ষেপে গ্ল'বেল ছাউথৰ দেশসমূহৰ প্ৰতি নিৰ্ভৰযোগ্য উন্নয়নমূলক আৰু মানৱীয় সাহায্য তথা দূৰ্যোগ সাহায্যৰ অংশীদাৰৰূপে ভাৰতৰ অবিৰত দায়বদ্ধতাক প্ৰতিফলিত কৰিছে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ ভাৰতীয় জনতা পাৰ্টী আৰু এন ডি এৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ অভিযান চলোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহ আজি বিয়লি দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'ব। শ্ৰীশ্বাহে আজি বিয়লি ৩ বজাত অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ নগাঁও জিলাৰ কলিয়াবৰ বিধানসভা সমষ্টিৰ মিছা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এখন নিৰ্বাচনী সভাত ভাগ ল'ব।

ইয়াৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত থকা ৰাজ্যিক অতিথিশালাত নিশাটো কটাব। শ্ৰীশ্বাহে কাইলৈ পুৱা ১১ বজাত গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰী জিলাৰ ৰাটিয়াদহাৰ মেলা ময়দানত আয়োজিত আন এখন প্ৰচাৰ সভাত অংশ ল'ব।

কাৰ্যসূচী অনুসৰি শ্ৰীশ্বাহে কাইলৈ দিনৰ ১ বজাত দুধনৈ বিধানসভা সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত গোৱালপাৰা জিলাৰ দুধনৈত আৰু বিয়লি ৩ বজাত পলাশবাৰী বিধানসভা সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আন দুখন নিৰ্বাচনী সভাত ভাষণ দিব।

ooooo

ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়নৰ ক্ষেত্ৰত চকুত লগা প্ৰগতি লাভ কৰিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে জনোৱা অনুসৰি প্ৰাধিকৰণে যোৱাটো বিত্তীয় বৰ্ষত পাঁচ হাজাৰ তিনিশ কিলোমিটাৰৰো অধিক ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰিছে আৰু এয়া বৰ্ষটোৰ বাবে পূৰ্ব-নিৰ্ধাৰিত চাৰি হাজাৰ ছশ চল্লিশ কিলোমিটাৰ নিৰ্মাণৰ লক্ষ্যতকৈ প্ৰায় ১৫ শতাংশ বেছি। ২০২৫-২৬ বিত্তীয় বৰ্ষত ৰাষ্ট্ৰীয় ঘাইপথৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰাধিকৰণৰ মূলধনী ব্যয়ৰ পৰিমাণ দুই লাখ চল্লিশ হাজাৰ কোটি টকাৰ ওপৰত আছিল আৰু এয়া বৰ্ষটোৰ বাবে চৰকাৰী বাজেট সহায়ৰ তুলনাত আঢ়ৈ শতাংশ বেছি বুলি মন্ত্ৰালয়ে লগতে উল্লেখ কৰে।

ooooo

ইছলামাবাদ শান্তি প্ৰক্ৰিয়াত ভাৰতে আনুষ্ঠানিকভাৱে পৰ্যবেক্ষকৰ মৰ্যাদা বিচাৰিছিল বুলি দাবী কৰি সামাজিক মাধ্যমত প্ৰকাশ পোৱা খবৰক বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে খণ্ডন কৰিছে। মন্ত্ৰালয়ৰ তথ্য পৰীক্ষণ কোষে এই খবৰক মিছা আৰু সম্পূৰ্ণ ভিত্তিহীন বুলি জানিবলৈ দিছে। কোষটোৱে লগতে সামাজিক মাধ্যমৰ এনে ভুৱা পোষ্টৰ বিৰুদ্ধে সজাগ হৈ থাকিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

ooooo

ইণ্ডোনেছিয়া পূব অংশত আজি নিচেই পুৱা ৰিখটাৰ স্কেলত ৭ দশমিক ৪ প্ৰাবল্যৰ এটা ভূমিকম্প অনুভূত হয়। মল্লাকা সাগৰত পুৱা স্থানীয় সময় অনুসৰি ৬ বাজি ৪৮ মিনিটত অনুভূত এই ভূমিকম্পৰ পাছত ইণ্ডোনেছিয়া, ফিলিপিনছ্ আৰু মালয়েছিয়াৰ উপকূল অঞ্চলত ছুনামিৰ সতৰ্কবাণী জাৰী কৰা হৈছে। এই পৰ্যন্ত ভূমিকম্পটোত কোনো লোক অথবা সম্পত্তিৰ হানি হোৱাৰ বাতৰি অহা নাই।

ooooo

যোৱাবাৰৰ চেম্পিয়ন ভাৰত পুৰুষৰ ২০ বছৰ অনুৰ্ধৰ ছাফ ফুটবল চেম্পিয়নশ্বিপৰ ফাইনেলত উপনীত হৈছে। ভাৰতে মালদ্বীপৰ মালেত যোৱানিশা অনুষ্ঠিত চেমিফাইনেলত ভূটানক ৫-০ গলত পৰাস্ত কৰে।

খেলখনত ভাৰতৰ হৈ ৰোহেন ছাপহামায়ুমে দুটা আৰু ওমাং দোদাম, মহম্মদ আৰবাছ্ আৰু থকছোম মালেমগানবাই এটাকৈ গল দিয়ে।

ইয়াৰ পূৰ্বে বাংলাদেশে ছেমি ফাইনেলত নেপালক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

প্ৰতিযোগিতাৰ ফাইনেল খেলখন কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, গ্ৰুপ পৰ্যায়ত ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত খেলখন ১-১ গলত ড্ৰ' হৈছিল। এই বাৰ্ষিক প্ৰতিযোগিতাখনত এই পৰ্যন্ত ভাৰতে চাৰিবাৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰি আটাইতকৈ সফল দল ৰূপে পৰিগণিত হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ পঞ্চমখন খেলত যোৱানিশা ডেলহি কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটৰ ব্যৱধানত পৰাস্ত কৰে।

লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্ণৌৰ দলটোৱে আটাইকেইটা উইকেট হেৰুৱাই ১৪১ ৰান সংগ্ৰহ কৰে। দলটোৰ আব্দুল ছামাদে সৰ্বাধিক ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। ডেলহিৰ লুংগী এণ্ডিগি আৰু টি নটৰাজনে ৩টাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত দিল্লীৰ দলটোৱে ১৭ অভাৰ আৰু এটা বলতে ৪ উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। দিল্লীৰ সমীৰ ৰিজভিয়ে সৰ্বাধিক ৭০ ৰানৰ বৰঙণি আগবঢ়ায়। এই অনবদ্য প্ৰদৰ্শনৰ বাবে খেলুৱৈগৰাকীক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**